# চোৰধৰা

শ্ৰীশ্ৰীমাধৱদেৱ

কথা ঃ গোপী বোল-হে মাই যশোদে, তোহোঁ তাপ তেজহ। হামু তোহাৰি বালক কানাই দেখল। এক গোৱালীক লৱনু চোৰি কৰিতে ঘৰ মহ পৈসল। আহে পেখি সে গোৱালী লৱণু-চোৰ ধৰিয়ে থিক। শ্ৰীকৃষ্ণ তাহেক উত্তৰ কৰাইছে, আহে ঢাণ্ডি হামু কৈছে চোৰ। বালক সমে ৰাজ মাৰগে ফিৰত। তোহোঁ আপনে দধি খায়া হামাক চোৰ বোলত। তাহে শুনি গোপী পড়াক গোপী সাখী মানত। শ্ৰীকৃষ্ণ আপন হাতক লৱণু গোপীক মুখে মাখিয়ে বোলত, আহে গোপীসৱ, দেখু দেখু, আৱৰ সাখীত কমন প্ৰয়োজন? উনিকৰ মুখহ সাক্ষী। শুনি গোপী লাজ পাৱল। কৃষ্ণক উত্তৰে আটয়ে নাহি পাৰি গোপীসৱ ভঙ্গ মানল। তাহে পেখি শ্ৰীকৃষ্ণ আঞ্চোলে ধৰি টানিয়ে আনত। গোপী কাতৰ কয় বোলত, হে কানাই, তোহো হামাক ছাড়হ। তোহাক হামু লৱণু দেৱব। তাহে শুনি শ্ৰীকৃষ্ণ গোপীক ছাড়ল। গোপী কৃষ্ণক লৱণু দেলহ। শ্ৰীকৃষ্ণ তাহেক ভোজন কয়কহু আনন্দে নৃত্য কয়ল। আহে মাই যশোদে, তোহোঁ কি পুণ্য কয় শ্ৰীকৃষ্ণ পুত্ৰ পাৱল। শ্ৰীকৃষ্ণ সৱ গোকুলবাসীক আনন্দ কৰাৱয় থিক। অব তোহাৰি কানাই বহুত চোৰ চাতুৰীয়ে গোপীক ভঙ্গ কৰাই নানা বিধ কৌতুক নৃত্য কৰিয়ে থিক। ইহা জানি হে মাই চিন্তা-শোক ছাড়হ।

সূত্ৰ ঃ তদন্তৰে যশোদা আপুন পুত্ৰক শুভ বাত শুনিয়ে কহুঁ, গোপীক ভঙ্গ কৰাই, নানাবিধ কৌতুক-নৃত্য কৰিয়ে থিক। ইহা শুনি চিন্তা-শোক তেজিৱে পৰম হৰষিত ভেল।।

কথা ঃ যশোদা বোল-হে মাই গোৱালী, কোন ঠামে হামাৰ বালক থিক। তথি হামাক নিয়া যাৱ।।

সূত্ৰ ঃ ওহি বুলি গোপী যশোদা সহিত গৈয়া, গোৱালীসৱক ঠামে শ্ৰীকৃষ্ণক দেখাঅল। শ্ৰীকৃষ্ণ গোপীসৱক মধ্যে নৃত্য কয় থিক। আপুন পুত্ৰক দেখিয়ে যশোদাক সৱ শৰীৰ জুড়াৱল। কৃষ্ণক কোলে কয়ে, গলে বান্ধি বদন চুম্বন কয়ে পৰম আনন্দ পাৱল। শ্ৰীকৃষ্ণ মাৱক স্তন পান কয়ে, মাৱক বদন নিৰেখি, কান্দি কান্দি গোপী সৱ বৃত্তান্ত শুনাৱল। শুনি যশোদা গোৱালীসৱক গাৰি দিয়ে জৈচন বোল তো দেখহ শুনহ।।

কথা ঃ যশোদা বোল-আহে ঢাণ্ডি, গোৱালীসৱ, দাসীক দাসী, তোহোঁসৱ হামাৰ ওহি বালক কৃষ্ণক চোৰ বুলিয়ে কলঙ্ক কৰসি। ছিঃ তোহাৰি মুখে ছাৰ পৰোক। হে বাপু কৃষ্ণ, ওহি বান্দীসৱক থানে আৱৰ নাহি আৱব। হামাৰ ঘৰে দধি দুগ্ধ লৱণু কে পুছত? যত খাইতে পাৰ তত হামু দেৱব। তোহাৰি বালাই লঞ, আহে বাপু তোহো হামাৰ কৌটি পুৰুষক দেৱকো পৰম দেৱতা, মাথাক মুকুট, গলাক সাতসৰী বুকেৰ শীতল চন্দন।।

সূত্ৰ ঃ ওহি বুলি যশোদা গোৱালীসৱক ঠেঙ্গনা দিয়ে খেদাই কহুঁ, আপুনে আঞ্চোৰে কৃষ্ণক ধুলা ঝাৰি, বুকে বান্ধি কোলে কৰি বদন চুম্বন দিয়ে, পৰম আনন্দে আপুন গৃহে আনি, শীতল জলে স্নান কৰাই, পঞ্চামৃত ভোজন কৰাৱল। সুগন্ধ চন্দনে, দিব্য বস্ত্ৰ-অলঙ্কাৰে ভূষিত কৰাই, কৃষ্ণক সুন্দৰ বদন নিৰেখিয়ে, মোক্ষতো অধিক আনন্দ লভিয়ে পৰম সন্তোষে ৰহল। আহে সভাসদলোক, শ্ৰীকৃষ্ণক পৰম কৃপালু গুণ দেখহ। কোটি ব্ৰহ্মাণ্ডক ঈশ্বৰ হুয়া নন্দক গৃহে বেকত হুয়া, নানান বিনোদন-নৃত্য কয়ল। ইহাক শ্ৰৱণ-কীৰ্ত্তন কৰিয়ে, সব লোক সংসাৰ ঘোৰ নিকাৰ তৰব। ইহা জানি শ্ৰীকৃষ্ণ চৰণে শৰণ সাৰ কৰিয়ে নিৰন্তৰে হৰি বোল হৰি বোল।

**লেখক-পৰিচয় :**

শ্ৰীশ্ৰীমাধৱদেৱ (১৪৮৯-১৫৯৬)-ৰ লক্ষিমপুৰৰ নাৰায়ণপুৰত জন্ম হয়। অসমৰ নৱবৈষ্ণৱ ভক্তিধৰ্ম আন্দোলনৰ এগৰাকী গুৰি ধৰোঁতা। জীৱনৰ প্ৰথমছোৱাত শাক্তধৰ্মী আছিল। শংকৰদেৱৰ সৈতে তেওঁ আহোম ৰাজ্যৰ উজনি অসম পৰিত্যাগ কৰে আৰু নামনিৰ কোচৰাজ্যৰ বৰপেটা অঞ্চলত থাকিবলৈ লয়। শংকৰদেৱে বৰপেটাৰ ওচৰৰ চুণপোৰা এৰি পাটবাউসীত থাকিবলৈ লোৱা সময়তে মাধৱদেৱে গণককুছিত থাকিবলৈ লয়। এইসময়তে গুৰু শংকৰৰ সৈতে তেওঁ তীৰ্থভ্ৰমণলৈও যায়। মহাপুৰুষ শংকৰদেৱৰ বিয়োগৰ পাছত মহাপুৰুষ মাধৱদেৱে অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ গুৰু দায়িত্ব গ্ৰহণ কৰে। মাধৱদেৱে জীৱনৰ শেষ সময়খিনি কোঁচবেহাৰৰ ৰজা লক্ষ্মীনাৰায়ণৰ ৰাজ্যৰ ভেলাদুৱাৰত থাকিবলৈ লয়। তাতেই তেওঁৰ মহাপ্ৰয়াণ ঘটে।

মহাপুৰুষ মাধৱদেৱে ধৰ্মপ্ৰচাৰৰ উপৰি সাহিত্য ৰচনাতো বিশিষ্ট বৰঙণি আগবঢ়ায়। পুৰণি ধৰ্মগ্ৰন্থৰ আধাৰত আখ্যানমূলক কাব্য, তত্ত্বমূলক ৰচনা, নাট, বৰগীত ৰচনা কৰে। মাধৱদেৱ-ৰচিত নামঘোষা, ভক্তি ৰত্নাৱলী, বৰগীত আৰু নাট-ঝুমুৰাসমূহ অসমীয়া লোকৰ অতি আদৰৰ।

**পাঠবোধ :**

মাধৱদেৱে ৰচনা কৰা নাটসমূহৰ একমাত্ৰ 'দধিমথন' বা 'অৰ্জুন-ভঞ্জন'ৰ বাহিৰে বাকীকেইখনক ঝুমুৰা বুলিহে কোৱা হয়। একোটা সম্পূৰ্ণ বিষয়বস্তু বা ঘটনাৰ সলনি ক্ষুদ্ৰ ঘটনা বা পৰিস্থিতিক লৈ চমু পৰিসৰত ৰচনা কৰা নাটককেই ঝুমুৰা বুলি কোৱা হয়। ইয়াত 'চোৰধৰা' ঝুমুৰাৰ নিৰ্বাচিত একাংশ তুলি দিয়া হৈছে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে এই শ্ৰেণীৰ সাহিত্যৰ আভাস পাব আৰু শিশু কৃষ্ণৰ চতুৰালি দেখি আমোদ লাভ কৰিব। মাধবদেৱৰ ঝুমুৰা সম্পৰ্কেও কিছু আভাস পাব।

**শব্দাৰ্থ আৰু টোকা :**

| | | |
|---|---|---|
| তাপ | : | দুখ। |
| তেজহ | : | ত্যাগ কৰা। |
| হামু | : | মই। |
| দেখল | : | দেখিলোঁ। |
| ঘৰ মহ | : | ঘৰৰ ভিতৰত। |
| থিক | : | আছে। |
| পৈসল | : | প্ৰৱেশ কৰিলে, সোমালে। |
| পেখি | : | দেখি। |
| উত্তৰ কৰাইছে | : | উত্তৰ দিছে। |
| ঢাণ্ডি | : | শকত-আৱত, লুধুমী। |
| কৈছে | : | কেনেকৈ। |
| ৰাজ মাৰগে | : | ৰাজবাটত। |
| ফিৰত | : | ঘূৰি ফুৰা। |
| পড়াক | : | চুবুৰীৰ। |
| সাখী মানত | : | সাখী(সাক্ষী) কৰিলে। |
| মাখিয়ে | : | সানি। |
| উনিকৰ | : | এওঁৰ। |
| পাৱল | : | পালে। |
| উত্তৰে আটয়ে নাহি পাৰি | : | উত্তৰত বলে নোৱাৰি। |
| ভঙ্গ মানল | : | পৰাজয় স্বীকাৰ কৰিলে। |
| কয় কহুঁ | : | কৰি পেলাই। |
| চোৰ চাতুৰীয়ে | : | চলে-কৌশলে। |
| বাত | : | বাৰ্তা। |
| ঠামে | : | ঠাইত। |
| তথি | : | তালৈ। |
| জুড়াৱল | : | শান্ত হ'ল। |
| গাৰি | : | গালি। |
| জৈচন | : | যেনেকৈ। |
| কলঙ্ক কৰসি | : | বদনাম ৰটিছে। |

| | | |
|---|---|---|
| মুখে ছাৰ পৰক | : | মুখত ছাই পৰক অৰ্থাৎ মৰি যাওক। |
| বালাই লঞঃ | : | অশুভ বা বিপদ মূৰ পাতি লওঁ। |
| বেকত হুয়া | : | ব্যক্ত হৈ, আৱিৰ্ভাৱ হৈ। |
| বিনোদ নৃত্য | : | আনন্দদায়ক নাচ। |
| ঠেঙ্গনা | : | গালি। |
| আঞ্চোৰে | : | আঁচলেৰে। |
| নিকাৰ | : | যন্ত্ৰণা। |
| পঞ্চামৃত | : | এৱাঁ গাখীৰ, দৈ, ঘিউ, মৌ আৰু চেনি মিহলাই কৰা পানীয়। |

## প্ৰশ্নাৱলী

**ভাব-বিষয়ক :**

১। অতি চমুকৈ উত্তৰ লিখা ঃ

(ক) কানাই বুলি কাৰ কথা কোৱা হৈছে?

(খ) লৱণু-চোৰ কৃষ্ণই গোপীৰ মুখত কি সানি দিছিল?

(গ) মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ কি?

(ঘ) 'ওহি বান্দীসৱক থানে আৱৰ নাহি।'

— 'আৱৰ নাহি' বুলি কোনে, কাক কৈছিল?

২। (ক) 'হে মাই যশোদে, তোহোঁ তাপ তেজহ।'

— যশোদাৰ মনৰ তাপ গুচাবলৈ গোপীয়ে কিয় ক'ব লগা হৈছিল?

(খ) শ্ৰীকৃষ্ণই গোপীৰ মুখত কিয় লৱণু সানি দিছিল?

৩। 'ইহা শুনি চিন্তা-শোক তেজিৰে পৰম হৰষিত ভেল?'— কোনে, কাৰ আৰু কি কথা শুনি হৰষিত হৈছিল?

৪। মাক যশোদাই কানাইক লগ পাই কি কি কথা কৈছিল আৰু কিদৰে চেনেহ প্ৰকাশ কৰিছিল?

**ভাষা-বিষয়ক :**

৫। তলৰ পুৰণি শব্দবোৰৰ আধুনিক ৰূপ লিখা :

তেজহ; তোহাৰি; হামু; থিক; মাখিয়ে; উনিকৰ; ফিৰত; গাৰি।

৬। বিপৰীত শব্দ লিখা :

চোৰ; উত্তৰ; কাতৰ; পুণ্য; শোক; হৰ্ষ; শীতল।